# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-OCT-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

―――――――――――――――――

## HEADLINES (9 AM)

১।	মিছন বসুন্ধৰাৰ চতুৰ্থ পৰ্যায়ত, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত নিষ্পত্তি নোহোৱা গোচৰসমূহ পুনৰীক্ষণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২।	ৰাজ্যৰ ৩১ খন জিলাত চলোৱা বাল্য বিবাহ বিৰোধী অভিযানত ৫৫৭ জন লোকক গ্ৰেপ্তাৰ, ৪৭৬টা গোচৰ ৰুজু।

৩।	কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ কৰ্মচাৰী-পেঞ্চনাৰৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি।

৪।	আজি বিশ্ব ষ্ট্ৰ'ক দিৱস। ষ্ট্ৰ'ক সন্দৰ্ভত জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে বিশ্বজুৰি এই দিৱস পালন।

**আৰু**

৫।	কোকৰাঝাৰত অনুষ্ঠিত খেলো ইণ্ডিয়া অস্মিতা পূব মণ্ডল হকী লীগৰ আজি ফাইনেল।

০০০০০০

ৰাজ্য চৰকাৰে যোগ্য জনজাতীয় পৰিয়াললৈ ৫০ বিঘা পৰ্যন্ত ভূমি আৱণ্টন দিয়াৰ সিদ্ধান্ত ল'ব। লগতে মিছন বসুন্ধৰা দ্বিতীয় আৰু মিছন বসুন্ধৰা তৃতীয়ত নিষ্পত্তি নোহোৱা গোচৰসমূহ মিছন বসুন্ধৰা চতুৰ্থৰ জৰিয়তে পুনৰীক্ষণ কৰাৰ ব্যৱস্থা কৰা হ'ব। ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয়ত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ, ধেমাজি আৰু মাজুলীৰ জিলা আয়ুক্তসকলৰ লগতে বন বিভাগৰ বিষয়া, জনজাতীয় সংগঠনৰ প্ৰতিনিধিৰ সৈতে এই সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত মিছন বসুন্ধৰাৰ চতুৰ্থ পৰ্যায়ৰ অধীনত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে প্ৰযোজ্য নীতি-নিৰ্দেশনাসমূহ প'ৰ্টেলত উল্লেখ কৰা, ভূমিৰ অনলাইন আবেদন প্ৰক্ৰিয়া সৰল কৰি তোলাৰ অৰ্থে জনগোষ্ঠী দুটাৰ যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদান আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত কিস্তিৰ ধন জমা দিব নোৱাৰাৰ ফলত সৃষ্টি হোৱা সমস্যা দূৰ কৰাৰ বাবে ধন জমা দিয়াৰ সময়সীমা বৃদ্ধিকে ধৰি কেইবাটাও ব্যৱস্থা গ্ৰহণৰ বিষয়ে আলোচনা কৰা হয়। তেওঁ লগতে মৰাণ আৰু মটক জনগোষ্ঠীৰ ভূমি সম্পৰ্কীয় সমস্যাৱাজিৰ পুংখানুপুংখ আলোচনা কৰি এইসমূহৰ সমাধানৰ বাবে গুৰুত্বপূৰ্ণ উদ্যোগ লোৱা হ'ব বুলি আশ্বাস দিয়ে।

ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ডং শৰ্মা তিনিচুকীয়ালৈ ৰাওনা হয়। তিনিচুকীয়াত তেওঁ প্ৰায় ৮ কোটি টকা পুঁজিৰে ৰূপায়ণ কৰিবলগীয়া শ্বহীদ পিয়লি ফুকন খেলপথাৰৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধন, বৰ গোধা পুখুৰীৰ পুনৰুজ্জীৱিতকৰণ, মহাত্মা গান্ধী উদ্যান আৰু বিষ্ণুৰাভা উদ্যানৰ সৌন্দৰ্যবৰ্ধন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ডং শৰ্মাই তিনিচুকীয়া পৌৰসভাৰ অধীনত ১ কোটি ৫০ লাখ টকা ব্যয়সাপেক্ষ সমগ্ৰ সেৱা এপ্ মুকলি কৰে। এই এপ্‌ৰ জৰিয়তে নাগৰিকসকলে আৱৰ্জনা সংগ্ৰহৰ গাড়ীৰ অৱস্থা নিৰীক্ষণ কৰাৰ লগতে ঘৰতেই বহি সম্পত্তি কৰ পৰিশোধ আৰু ট্ৰেড লাইচেন্সৰ সুবিধা লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে তিনিচুকীয়া নগৰৰ বাট-পথ আৰু নলা-নৰ্দমা উন্নয়নৰ বাবে ২০০ কোটি টকাৰ আৱণ্টন দিয়া হ'ব বুলি

প্ৰকাশ কৰে। সংহত জিলা আয়ুক্ত কাৰ্যালয় নিৰ্মাণৰ লগতে ৫০ কোটি টকা ব্যয়েৰে এহেজাৰ আসনবিশিষ্ট এটা আধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হ'ব বুলিও ডং শৰ্মাই উল্লেখ কৰে।

বাইট

মুখ্যমন্ত্ৰী ডং শৰ্মাই আজি তিনিচুকীয়াত কেইবাটাও প্ৰকল্পৰ আধাৰিশিলা স্থাপন কৰাৰ লগতে বিয়লি কচুজান খেলপথাৰত চলি থকা মৰাণ ক্ৰীড়া মহোৎসৱত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০

ৰাজ্য চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে ৰাজ্যৰ ৩১ খন জিলাত এই অভিযান অব্যাহত আছে। কালি পৰ্যন্ত এই অভিযানত ৫৫৭ জন অভিযুক্ত গ্ৰেপ্তাৰ কৰাৰ লগতে ৪৭৬টা গোচৰ ৰুজু কৰা হৈছে। শিশুৰ সুৰক্ষিত শৈশৱ আৰু উজ্বল ভৱিষ্যত নিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই অভিযান অব্যাহত ৰখা হ'ব বুলিও তেওঁ সদৰি কৰিছে।

০০০০০০

গুৱাহাটীৰ এখন হোটেলত ৫ জনকৈ লোকৰ হত্যা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গুলীচালনাৰ ঘটনাত ৫ জন লোকৰ মৃত্যু হোৱাটো ব্যক্তিগত বিবাদৰ পৰিণতি বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। ঘটনাটোত ব্যৱহৃত পিষ্টলটোৰ অনুজ্ঞাপত্ৰ নাগালেণ্ড চৰকাৰে প্ৰদান কৰা বুলি উল্লেখ কৰি কি পৰিস্থিতিত অনুজ্ঞাপত্ৰ লাভ কৰিছিল সেই বিষয়েও তদন্ত কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইতিমধ্যে আৰক্ষীয়ে অভিযুক্ত ঘনকান্ত গগৈক গ্ৰেপ্তাৰ কৰিছে আৰু আইন অনুসৰি পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

**বাইট (চি এম)**

ইপিনে বিশেষ তদন্তকাৰী গোটে সমগ্ৰ গোচৰটোৰ তদন্তৰ ৰূপৰেখা প্ৰস্তুত কৰিছে বুলি যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে কালি প্ৰকাশ কৰিছে। এই হত্যাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত ঘণকান্ত গগৈক বিশেষ তদন্তকাৰী গোটে জেৰা অব্যাহত ৰাখিছে। কালি নিশা প্ৰায় ১১ বজা পৰ্যন্ত অভিযুক্তজনক পল্টনবজাৰ থানাত উপ-আৰক্ষী আয়ুক্ত সন্তাৱী মিশ্ৰই জেৰা কৰে।

০০০০০০

ৰে'ল সুৰক্ষা বাহিনীয়ে গুৱাহাটী ৰে'ল ষ্টেচনত ব্ৰাউন ছুগাৰসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। হমছফৰ নামৰ ৰে'লখনৰ পৰা ৰে'ল আৰক্ষীয়ে ৬৪ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰে। জব্দ কৰা ব্ৰাউন ছুগাৰখিনিৰ বজাৰমূল্য প্ৰায় ১৩ লাখ টকা হ'ব বুলি ৰে'ল আৰক্ষীয়ে প্ৰকাশ কৰিছে। ৰে'ল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰীকেইজন হৈছে- মুন্না লস্কৰ, ৰেনিজা বেগম আৰু জেৰিনা বেগম।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ কৰ্মচাৰীৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি কৰাৰ কথা চৰকাৰে ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ জৰিয়তে কেন্দ্ৰৰ ৪৮ লাখ কৰ্মচাৰী আৰু ৬৮ লাখ পেঞ্চনাৰ উপকৃত হ'ব। কেন্দ্ৰীয় কেবিনেটে কালি কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কেবিনেটৰ এই সিদ্ধান্তৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ মৰগীয়া ভাট্টা ৬৩ শতাংশলৈ বৃদ্ধি পাব। কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধি কৰাৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ ১০ হাজাৰ কোটি টকা অতিৰিক্তভাৱে ব্যয় হ'ব। উল্লেখযোগ্য যে নতুন মৰগীয়া বানচ যোৱা ১ জুলাইৰ পৰা কাৰ্যকৰী হ'ব।

চলিত মাহৰ দৰমহাৰ সৈতে কৰ্মচাৰীসকলে নতুন মৰগীয়া বানচ লাভ কৰিব। চলিত বৰ্ষৰ এপ্ৰিলতো কেন্দ্ৰীয় চৰকাৰে ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰিছিল।

০০০০০০

আজি বিশ্ব ষ্ট্ৰোক দিৱস। প্ৰতিবছৰে ২৯ অক্টোবৰৰ দিনা ষ্ট্ৰোকৰ পৰা হ'ব পৰা বিপদ, ইয়াৰ লক্ষণ আৰু সময়মতে ল'বলগীয়া চিকিৎসা সম্পৰ্কে জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এই বছৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'প্ৰতিটো মিনিটেই মূল্যবান'। ২০০৬ চনত প্ৰথমবাৰৰ বাবে বিশ্ব ষ্ট্ৰোক সংগঠন WSO-এ এই দিৱসৰ আয়োজন কৰিছিল। ষ্ট্ৰোকৰ মূল লক্ষণ চিনাক্ত কৰাৰ বাবে FAST পদ্ধতি অৰ্থাৎ মুখৰ পৰিৱৰ্তন, হাত বা ভৰিত হঠাৎ অৱস অনুভৱ হোৱা, কথা কোৱাত বা জিভা লৰচৰ কৰাত অসুবিধা হোৱা আৰু এই লক্ষণসমূহ দেখা দিলে ততালিকে জৰুৰীকালীন চিকিৎসাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়।

০০০০০০

সংগ্ৰহালয় সঞ্চালকালয় অসমৰ উদ্যোগত কাইলৈ দিনৰ ১১ বজাত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত দ্বিতীয়বাৰ্ষিক কালিৰাম মেধি স্মাৰক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ সঞ্জীৱপল ডেকাই ভাষাতত্ত্ব আৰু অসমীয়া ভাষা ঃ ইতিহাস আৰু অন্বেষণ বিষয়ক বক্তৃতা দিব। বিশিষ্ট সাহিত্যিক, ভাষাবিদ আৰু সমাজ সংস্কাৰক কালিৰাম মেধিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে এই বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

নামনি মাজুলীৰ খাৰজানপাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে কালি ৩২ সংখ্যক জিলা শিশু বিজ্ঞান সমাৰোহ অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত মাজুলী জিলা সমিতিৰ উদ্যোগত আয়োজিত এই সমাৰোহত 'বহন ক্ষমতাৰ বাবে বিজ্ঞান আৰু উদ্ভাৱন' শীৰ্ষক বিষয়ত জিলাখনৰ প্ৰায় ৪০০ শিশুৱে ২০০ ৰো অধিক বিজ্ঞান প্ৰকল্প প্ৰদৰ্শন কৰে। সমাৰোহত বিজ্ঞানী ডং মানৱজ্যোতি বৰদলৈ আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ বিজ্ঞানী ডং সেউজী বৰা উপস্থিত থাকে। আনহাতে, সমাৰোহত গুৱাহাটীৰ মাৰ্জেন বায়'ল'জিকৰ সঞ্চালক ডং পজুল লয়িঙে কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত বক্তৃতা দিয়ে।

০০০০০০

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজিৰে পৰা অহা ৫ নৱেম্বৰলৈকে প্ৰথম আমগুৰি গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। সদৌ অসম পুথি প্ৰকাশন সংস্থাৰ সহযোগত আয়োজিত এই গ্ৰন্থমেলা অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, শিৱসাগৰৰ অভিভাৱক মন্ত্ৰী বিমল বৰা, নাজিৰা আৰু শিৱসাগৰৰ বিধায়কদ্বয় ক্ৰমে ময়ূৰ বৰগোহাঁই আৰু অখিল গগৈ উপস্থিত থাকিব। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি চিত্ৰাংকন, কুইজ, তৰ্ক, কবিতা আবৃত্তি আদি বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

০০০০০০

অৰুণাচল প্ৰদেশৰ টাৱাঙত আজিৰে পৰা ৩১ অক্টোবৰলৈ চতুৰ্দশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আয়োজন কৰা হৈছে। পৰ্যটন মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলক ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত পৰ্যটন কেন্দ্ৰ হিচাপে প্ৰসাৰৰ লক্ষ্যৰে এই মেলাৰ আয়োজন কৰিছে। মেলাত ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটন

অংশীদাৰসকলে উত্তৰ-পূৰ্বাঞ্চলৰ বিচিত্ৰ পৰ্যটন সম্ভাৱনা প্ৰদৰ্শনৰ লগতে ব্যৱসায় অংশীদাৰিত্ব শক্তিশালী কৰিব।

মেলাৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় পৰ্যটন আৰু সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় পৰ্যটন আৰু পেট্ৰ'লিয়াম তথা প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্য মন্ত্ৰী সুৰেশ গোপী আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত উত্তৰ-পূবৰ চহকী সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে পৰ্যটন মন্ত্ৰালয়ে আয়োজন কৰি অহা এই আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা এটা বাৰ্ষিক অনুষ্ঠান। এই মেলাই পৰ্যটন, ব্যৱসায়, উদ্যোগী, ট্যুৰ অপাৰেটৰ্ছ, চৰকাৰী সংস্থা, সংবাদ মাধ্যম আৰু অন্যান্য অংশীদাৰীসকলক পৰ্যটন সম্পৰ্কীয় সুবিধাসমূহ প্ৰদান কৰাৰ এখন মঞ্চ হিচাপে ভূমিকা গ্ৰহণ কৰি আহিছে। এই মেলাত ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰেতা-বিক্ৰেতাকে ধৰি ২০০তকৈও অধিক অংশগ্ৰহণকাৰীয়ে অংশ ল'ব। মেলাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ পৰ্যটনস্থলী আৰু এই ৰাজ্যসমূহত থলুৱাভাৱে উৎপাদিত, নিৰ্মিত সা-সামগ্ৰীসমূহ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

কোকৰাঝাৰত চলি থকা খেলো ইণ্ডিয়া অস্মিতা পূব মণ্ডল হকী লীগৰ ফাইনেল খেল দুখন আজি অনুষ্ঠিত হ'ব। আজি দুপৰীয়া চাৰে ১২ বজাত হ'বলগীয়া চাব জুনিয়ৰ শাখাৰ ফাইনেলত মিজোৰামে ওড়িশাৰ বিৰুদ্ধে খেলিব। আনহাতে, দিনৰ আঢ়ৈ বজাত হ'বলগীয়া জুনিয়ৰ শাখাৰ ফাইনেলত ওড়িশা, টাটা হকী হাই পাৰফৰ্মেন্স চেণ্টাৰৰ মুখামুখি হ'ব। উল্লেখযোগ্য যে ২৫ অক্টোবৰৰ পৰা আৰম্ভ হোৱা এই প্ৰতিযোগিতাত অসমসহ মুঠ ৮খন ৰাজ্যই অংশগ্ৰহণ কৰিছে।

০০০০০০

ভাৰত আজি পাঞ্জাৱৰ জলন্ধৰত চলিত বৰ্ষৰ পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত নিজৰ দ্বিতীয়খন খেলত চীনৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ৰাউণ্ড ৰবীন পদ্ধতিৰে অনুষ্ঠিত এই প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত ভাৰতে বাংলাদেশক ১৩-০ গ'লত পৰাস্ত কৰিছিল। ইপিনে নিজৰ প্ৰথমখন খেলত চীন মালয়েছিয়াৰ বিৰুদ্ধে ৪-৫ গ'লৰ ব্যৱধানত পৰাজিত হৈছিল। প্ৰতিযোগিতাত আজি হ'বলগীয়া আন দুখন খেলত মালয়েছিয়া দক্ষিণ কোৰিয়াৰ আৰু বাংলাদেশ জাপানৰ মুখামুখি হ'ব।

০০০০০০

হোটেল বিলাস ইনৰ গুলীচালনাৰ ঘটনা সংক্ৰান্তীয় বিভিন্ন বা-বাতৰিৰ লগতে কৰ্কট ৰোগৰ ঔষধৰ মূল্য হ্ৰাস, শিক্ষাৰ্থীৰ আত্মহত্যা তথা অস্বাভাৱিক মৃত্যুৰ তথ্য বিচাৰি উচ্চতম ন্যায়ালয়ে চৰকাৰক দিয়া নিৰ্দেশ, স্পেইনত দ্ৰুতবেগী ৰে'লৰ মুখামুখি খুন্দাত ৬৮ জন নিহত, চিউলত হোন্দাইৰ অধ্যক্ষৰ সৈতে সৰ্বানন্দ সোণোৱালৰ বৈঠক আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে 'কাগজ-চিয়াঁহী-আলপিন কিনাৰো ধন নাই চৰকাৰৰ' শিৰোনামেৰে অসম সচিবালয়ৰ অভাৱনীয় পৰিস্থিতিৰ বিষয়ে বাতৰি প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে হোটেল বিলাস ইনৰ হত্যাকাণ্ডৰ ঘাতক ঘনকান্তক এনকাউণ্টাৰ নকৰাৰ লগতে আদালতে আৰক্ষীক কেতবোৰ কঠোৰ নিৰ্দেশনা দিয়াৰ বাতৰিসহ ঘটনা সংক্ৰান্তীয় বিভিন্ন বাতৰি বক্স নিউজ হিচাপে সবিস্তাৰে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম 'ঘাতক ঘনকান্তৰ আছে চাৰিজন সহযোগী'। '৭১

টা খুঁটাৰ ৭০ নম্বৰত হাত ২০২৭ত সম্পূৰ্ণ হ’ব মাজুলী-যোৰহাট সংযোগী দলঙৰ কাম’ শিৰোনামেৰে **দৈনিক অসম** কাকতে ফটোসহ বাতৰি পৰিৱেশন কৰিছে। ‘শ্ৰেণীকোঠাতে শিক্ষকক হত্যাৰ চেষ্টা’ শীৰ্ষক এটা বাতৰিক **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। **নিয়মীয়া বাৰ্তা** কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম ‘যোগ্য জনজাতীয় পৰিয়ালে পাব ৫০ বিঘা ভূমি’। **আমাৰ অসম** কাকতে জুবিনৰ ন্যায়ৰ দাবীত ৰাজভৱনত সদলবলে গৰিমা উপস্থিত হোৱাৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ বাতৰি আজি প্ৰকাশিত প্ৰতিখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দা ছেণ্টিনেল** কাকতে কৰ্কট ৰোগৰ ঔষধৰ মূল্য ৯৩ শতাংশ হ্ৰাস হোৱাৰ বাতৰি প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ইজৰাইলৰ নিৰ্বাচনত নেটান্যাহুৰ দলে সংখ্যাগৰিষ্ঠতা লাভৰ পৰা বঞ্চিত হোৱাৰ বাতৰি পৰিৱেশন কৰিছে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত সাক্ষীৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া অব্যাহত আছে। বাদ্যযন্ত্ৰী পাৰ্থ গোস্বামী আজি তৃতীয় দিনৰ বাবে অভিযুক্ত পক্ষৰ অধিবক্তাৰ জেৰাৰ বাবে আদালতত হাজিৰ হ’ব। শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাই আজি পাৰ্থ গোস্বামীক জেৰা কৰিব। জুবিন গাৰ্গ ফেন ক্লাবৰ সাধাৰণ সম্পাদক পিকু বৰগোহাঁইয়ো আজি গোচৰটোৰ সাক্ষ্য দানৰ বাবে ফাষ্টট্ৰেক আদালতত উপস্থিত হ’ব।

জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যজুৰি আজি মম-শিখা সমদল উলিয়াব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত কালি পাৰ্থ গোস্বামীয়ে দ্বিতীয় দিনৰ বাবে সাক্ষ্য প্ৰদান কৰিছিল যদিও সময়ৰ অভাৱৰ বাবে অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ অধিবক্তাই পাৰ্থ গোস্বামীক জেৰা কৰিব নোৱাৰিলে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পুৱা আৰু গধূলিৰ ভাগলৈ কুঁৱলী পৰাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, মেঘালয় আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**